**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 03-07-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
-------------------

১। উত্তৰ-পূৰ্বাঞ্চললৈ আগবঢ়োৱা কেন্দ্ৰীয় কৰৰ ১০ শতাংশ হাৰতে পুঁজি হস্তান্তৰ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ প্ৰস্তাৱ।

২। ৰাজ্যৰ মথাউৰিসমূহৰ ৩৩১ টা দুৰ্বল স্থান ক্ষিপ্ৰতাৰে মেৰামতি কৰিবলৈ জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাৰ নিৰ্দেশ ।

৩। ৰাজ্যত এমাহত এহেজাৰ ৪০০ কোটি টকাৰ কৰ ফাঁকি, ৩৫২ টা ভুৱা প্ৰতিষ্ঠানৰ পঞ্জীয়ন বাতিল।

৪। ৰাজ্যৰ দহ হাজাৰৰো অধিক বিদ্যালয়ত সমগ্ৰ শিক্ষা সাময়িকী মূল্যাংকন পৰীক্ষা অনুষ্ঠিত নোহোৱাৰ তথ্য লাভ।

*আৰু*

৫। অধিনায়ক শুভমন গিলৰ শতৰানৰ সহায়ত ভাৰতৰ কালি প্ৰথম দিনা ৫ উইকেটৰ বিনিময়ত ইংলেণ্ডৰ বিৰুদ্ধে ৩১০ ৰান সংগ্ৰহ।

oooooo

উত্তৰ-পূৰ্বাঞ্চললৈ বাধ্যতামূলকভাৱে আগবঢ়োৱা কেন্দ্ৰীয় কৰৰ ১০ শতাংশ পুঁজি হস্তান্তৰৰ ক্ষেত্ৰতো অসমক সুকীয়া দৃষ্টিকোণেৰে বিবেচনা কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই প্ৰস্তাৱ আগবঢ়াইছে। ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ অৰবিন্দ পানাগাৰিয়াক কালি নতুন দিল্লীত সাক্ষাৎ কৰি মুখ্যমন্ত্ৰীয়ে অসমকে ধৰি সমগ্ৰ উত্তৰ-পূৰ্বাঞ্চলৰ ভৌগোলিক অৱস্থান আৰু ইয়াৰ ফলত সন্মুখীন হোৱা প্ৰত্যাহ্বানসমূহৰ সৈতে যুঁজিবলৈ ৰাজ্যসমূহক অধিক পুঁজিৰ প্ৰয়োজন হয় বুলি কয়। তেওঁ জলবায়ু পৰিৱৰ্তনৰ প্ৰভাৱ, পৰিৱৰ্তনশীল জনগাঁথনি আদি বিষয়ৰ ওপৰত গুৰুত্ব আৰোপ কৰি কৰ হস্তান্তৰ ক্ষেত্ৰতো অসম তথা উত্তৰ-পূৰ্বাঞ্চলৰ বাবে ভিন্ন দৃষ্টিকোণৰ প্ৰয়োজনীয়তা সম্পৰ্কে আঙুলিয়াই দিয়ে। কেন্দ্ৰীয় কৰ হস্তান্তৰৰ ক্ষেত্ৰত অসমৰ আন আন দিশসমূহৰ বিষয়েও ষষ্ঠদশ বিত্ত আয়োগৰ অধ্যক্ষ পানাগাৰিয়াৰ সৈতে মুখ্যমন্ত্ৰীগৰাকীয়ে আলোচনা কৰে। এই বৈঠকত মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব কে কে দ্বিবেদী, বিত্ত বিভাগৰ আয়ুক্ত তথা সচিব জয়ন্ত নাৰ্লিকাৰকে ধৰি ৰাজ্যৰ কেইবাজনো জ্যেষ্ঠ বিষয়াই অংশগ্ৰহণ কৰে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই নতুন দিল্লীত কালি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি ৰাজ্যৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্প সন্দৰ্ভত আলোচনা কৰে। গুৱাহাটীৰ পৰা শিলচৰ আৰু ডিব্ৰুগড়লৈ গ্ৰীন এক্সপ্ৰেছ কৰিডৰ, এক্সপ্ৰেছ হাইৱে নিৰ্মাণৰ নতুন প্ৰকল্প সন্দৰ্ভতো আলোচনা কৰা হয়। মুখ্যমন্ত্ৰী ড° শৰ্মাই এই প্ৰকল্পসমূহৰ কাম সময়মতে সম্পূৰ্ণ কৰাৰ বাবে পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰালয়ৰ সহযোগিতা কামনা কৰে।

মুখ্যমন্ত্ৰীগৰাকীয়ে বিহাৰৰ কেবিনেট মন্ত্ৰী অশোক চৌধুৰী, লাইফ কেয়াৰ লিমিটেডৰ অধ্যক্ষ জয়েশ ছাইনি তথা আই চি আই চি আই ফাউণ্ডেচন আৰু আই চি আই চি আই বেংকৰ প্ৰতিনিধিসকলৰ সৈতেও ৰাজ্যখনৰ উন্নয়নৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰে।

০০০০০০

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই পাঁচদিনীয়া কাৰ্যসূচীৰে আজিৰে পৰা বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চল ভ্ৰমণ কৰিব। এই ভ্ৰমণকালত মুখ্যমন্ত্ৰী বিটিআৰৰ পাঁচখন জিলালৈ যাব। ওদালগুৰি জিলাৰ পৰা তেওঁ ভ্ৰমণসূচী আৰম্ভ কৰিব। আজি ওদালগুৰি উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ খেলপথাৰত হ'বলগীয়া ভাৰতীয় জনতা পাৰ্টিৰ এখন কৰ্মকৰ্তা সন্মিলনত মুখ্যমন্ত্ৰী শৰ্মাই অংশগ্ৰহণ কৰিব। সমাগত বিটিচি পৰিষদীয় নিৰ্বাচনক কেন্দ্ৰ কৰি বড়োলেণ্ড স্বায়ত্তশাসিত পৰিষদীয় এলেকাত বিজেপিৰ সাংগঠনিক ভেঁটি সুদৃঢ় কৰাৰ উদ্দেশ্যে মুখ্যমন্ত্ৰীয়ে এই সন্মিলনত ভাগ ল'ব। এই সন্মিলনৰ পাছতে জিলাখনৰ সদৰ ওদালগুৰিৰ উপৰি ডিমাকুছিত সমাজৰ বিভিন্ন শ্ৰেণীৰ লোক আৰু দল-সংগঠনৰ সৈতে মুখ্যমন্ত্ৰী শৰ্মাই মত বিনিময় কৰিব। এই সন্দৰ্ভত আমাৰ ওদালগুৰিৰ সংবাদদাতা নাৰায়ণ ডেকাই এইদৰে কয়—

**ভইচ (নাৰায়ণ ডেকা)**

মুখ্যমন্ত্ৰীয়ে কাইলৈ তামুলপুৰ, ৫ জুলাইত বাক্সা, ৬ জুলাইত চিৰাং আৰু ৭ জুলাইত কোকৰাঝাৰ ভ্ৰমণ কৰিব। ৫ জুলাইত বাক্সাৰ জালাহত ৰাইজৰ সৈতে চৰকাৰী আঁচনি আৰু ৫টা মণ্ডলৰ কৰ্মকৰ্তাৰ সৈতে বিটিচি নিৰ্বাচন সম্পৰ্কত তেওঁ মত বিনিময় কৰিব। জিলা প্ৰশাসনে এই কাৰ্যসূচী সুচাৰুৰূপে অনুষ্ঠিত কৰিবলৈ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। মুখ্যমন্ত্ৰী ড° শৰ্মাই সেইদিনা প্ৰথমে মুছলপুৰত উপস্থিত হৈ ৰাজ্য চৰকাৰৰ বিভিন্ন আঁচনিৰ পৰ্যালোচনা সভাত অংশ ল'ব বুলি বিটিআৰৰ কাৰ্যবাহী সদস্য গৌতম দাসে জনায়। ইয়াৰ পাছত তেওঁ জালাহৰ শ্ৰীশ্ৰীলক্ষ্মী মন্দিৰ প্ৰাংগণত আয়োজিত সভাত ৫টা মণ্ডলৰ প্ৰায় ৩ হাজাৰ ৫০০ কৰ্মকৰ্তাৰ সৈতে মত বিনিময় কৰিব।

০০০০০০

জলসম্পদ মন্ত্ৰী পীযুষ হাজৰিকাই কালি ৰাজ্যৰ মথাউৰিসমূহৰ ৩৩১ টা দুৰ্বল স্থান ক্ষিপ্ৰতাৰে মেৰামতি কৰিবলৈ বিভাগৰ অভিযন্তা বিষয়া-বৰ্গক কঠোৰ নিৰ্দেশ দিয়ে। তেওঁ লগতে কয়, যে ৰাজ্য চৰকাৰে বান আৰু খহনীয়া সমস্যা সমাধানৰ বাবে আধুনিক প্ৰযুক্তিৰে নতুন মথাউৰি নিৰ্মাণ কৰি প্ৰতিৰোধী কাম অব্যাহত ৰাখিছে। মন্ত্ৰী শ্ৰী হাজৰিকাই কালি জলসম্পদ বিভাগৰ বিষয়াসকলৰ সৈতে জনতা ভৱনত এখন বৈঠকত মিলিত হৈ এই প্ৰতিৰোধী ব্যৱস্থা সন্দৰ্ভত বুজ লয়। প্ৰতিখন জিলাৰ অভিযন্তাসকলে এই বৈঠকত ভাৰ্চুৱেলী অংশগ্ৰহণ কৰে। মন্ত্ৰীগৰাকীয়ে বৈঠকত ৰাজ্যৰ বান, খহনীয়া সমস্যা প্ৰতিৰোধৰ বাবে চলি থকা প্ৰকল্পসমূহৰ বৰ্তমানৰ স্থিতি, অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা কৰে। প্ৰত্যেকখন জিলালৈ পৰ্যাপ্ত সামগ্ৰী প্ৰেৰণৰ ক্ষেত্ৰতো তেওঁ বৈঠকত গুৰুত্ব আৰোপ কৰে। তেওঁ চৰকাৰী আঁচনিসমূহ ৰূপায়ণৰ ক্ষেত্ৰত চৰকাৰী ধনৰ যাতে অপচয় নহয়, সেই দিশত সজাগ হ'বলৈ বিষয়াসকলক আহ্বান জনায়। বৈঠকখনত জলসম্পদ বিভাগৰ মুখ্য সচিব চৈয়দ্দিন আববাছি, মুখ্য অভিযন্তা ভাস্কৰ শৰ্মা সহ অন্যান্য উচ্চপদস্থ বিষয়াসকল উপস্থিত আছিল।

০০০০০০

ৰাজ্যত এমাহতে অসাধু ব্যৱসায়ীয়ে এহেজাৰ ৪০০ কোটি টকাৰ কৰ ফাঁকি দিছে। যোৱা মাহত ৩৫২ টা ভুৱা পঞ্জীয়নৰ জৰিয়তে ব্যৱসায়ীসকলে কোনো সামগ্ৰী ক্ৰয়-বিক্ৰয় নকৰাকৈ এই বৃহৎ পৰিমাণৰ ধনৰাশি আত্মসাৎ কৰে। ৰাজ্যৰ যুটীয়া কৰ আয়ুক্ত অৰুণিমা চৌধুৰীয়ে কালি এখন সংবাদমেলযোগে কয়, যে

ভুৱা পঞ্জীয়ন কৰা ৪৩ জন ব্যৱসায়ীক যোৱা এমাহত চিনাক্ত কৰা হৈছে। তেওঁলোকে প্ৰায় ১২০০ কোটি টকা বহিঃৰাজ্যলৈ স্থানান্তৰ কৰিছে, যাৰ ফলত কেৱল অসমৰে নহয়, আন ৰাজ্য সমূহৰো লোকচান হৈছে। যুটীয়া কৰ আয়ুক্তগৰাকীয়ে লগতে কয়, যে যোৱা মাহত ৪৩টা অবৈধ স্থানত তালাচী চলাই ৩৩ কোটি ৩৪ লাখ টকা কৰ ফাঁকি ধৰা পৰিছে আৰু ইয়াৰ পৰা মাত্ৰ ৫ কোটি ৩৪ লাখ টকাহে বিভাগে সংগ্ৰহ কৰিবলৈ সমৰ্থ হয়। মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মাৰ নিৰ্দেশত ইতিমধ্যে অসাধু চক্ৰৰ বিৰুদ্ধে জি এছ্‌ টি আয়ুক্তালয়ৰ বিষয়ববীয়াই অভিযান চলাই ৮৩ খন বাহনো জব্দ কৰিছিল।

০০০০০০

ৰাজ্য চৰকাৰৰ গৃহ নিৰ্মাণ আৰু নগৰ পৰিক্ৰমা বিভাগে নগৰাঞ্চলৰ সুপৰিকল্পিত আৰু দ্ৰুত বিকাশৰ বাবে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিছে। ইয়াৰ বাবে **১০ চহৰ এক ৰূপায়ণ** শীৰ্ষক এটা প্ৰকল্পৰ ব্যৱস্থা কৰা হৈছে। অসমৰ ১০ খন আগশাৰীৰ চহৰৰ উপযুক্ত নগৰ পৰিকল্পনা, গোটা আৱৰ্জনা ব্যৱস্থাপনা, নিয়মীয়া পানীযোগান, ৰাজহুৱা আন্তঃগাঁথনি, যান-বাহন ব্যৱস্থাপনা, ষ্ট্ৰিটলাইট আৰু ডিজিটেল তথা অনলাইন সেৱাৰ কাম-কাজ সুচাৰুৰূপে ৰূপায়ণ কৰাই হৈছে এই প্ৰকল্পৰ মূল লক্ষ্য। এই প্ৰকল্পৰ বাবে নিৰ্বাচিত হোৱা চহৰসমূহৰ ভিতৰত ডিব্ৰুগড় চহৰো অন্তৰ্ভুক্ত হৈছে। ডিব্ৰুগড়ৰ জিলা আয়ুক্ত বিক্ৰম কৈৰীৰ অধ্যক্ষতাত কালি এই সংক্ৰান্তীয় এখন সভা অনুষ্ঠিত হয়। প্ৰকল্পটোৰ অধীনত ডিব্ৰুগড় পৌৰনিগমৰ অধীনস্থ এলেকাৰ বাবে নিৰ্ধাৰণ কৰা পৰিকল্পনা চূড়ান্ত কৰাৰ উদ্দেশ্যে সভাত আলোচনা কৰা হয়। সভাত পৌৰ নিগমৰ আয়ুক্ত, কাৰ্যবাহী বিষয়া, অতিৰিক্ত জিলা আয়ুক্তকে ধৰি সংশ্লিষ্ট অন্যান্য বিভাগৰ বিষয়াবৰ্গ উপস্থিত থাকে।

০০০০০০

মহানগৰীৰ খাৰঘুলিত বন্দনা দাস নামৰ এগৰাকী মহিলাক হত্যা কৰাৰ অভিযোগত কালি নিশা লতাশিল আৰক্ষীয়ে ৰাতুল দাস নামৰ এজন যুৱকক গ্ৰেপ্তাৰ কৰিছে। খাৰঘুলিৰ লুইত নগৰত কালি ৬৯ বছৰীয়া মহিলাগৰাকীক চোকা অস্ত্ৰৰে আক্ৰমণ কৰি হত্যা কৰা হৈছিল। এই সন্দৰ্ভত আৰক্ষীয়ে অনুসন্ধান চলাই নিশা যুৱকজনক গ্ৰেপ্তাৰ কৰে।

০০০০০০

সমগ্ৰ শিক্ষা, অসমে নিৰ্দেশনা জাৰি কৰা অনুসৰি সাময়িকী মূল্যাংকন পৰীক্ষা - PET ৰাজ্যৰ দহ সহস্ৰাধিক বিদ্যালয়ে অনুষ্ঠিত নকৰিলে। যোৱা ১৬ আৰু ১৭ জুনত সমগ্ৰ শিক্ষাই ৰাজ্যৰ সকলো প্ৰাথমিক বিদ্যালয়ত এই পৰীক্ষা অনুষ্ঠিত কৰাৰ নিৰ্দেশ দিছিল। ৰাজ্যখনত থকা ৪৩ হাজাৰ ৭১৬ খন বিদ্যালয়ৰ ভিতৰত ৩৩ হাজাৰ ৩৩৫ খন বিদ্যালয়ত PET অনুষ্ঠিত হয় যদিও ১০ হাজাৰ ৩৮১ খন বিদ্যালয়ত এই পৰীক্ষা অনুষ্ঠিত কৰা নহ'ল। সমগ্ৰ শিক্ষা, অসমে কালি প্ৰকাশ কৰা তথ্য অনুসৰি ৩৫ খন জিলাৰ আটাইকেইখনে এই পৰীক্ষাত অংশগ্ৰহণ কৰিছে যদিও দক্ষিণ শালমাৰা-মানকাচৰ জিলাত সৰ্বাধিক সংখ্যক বিদ্যালয়ে PET অনুষ্ঠিত কৰে। পৰীক্ষাত জিলাখনৰ অংশগ্ৰহণৰ হাৰ ৯৬ দশমিক ৫ শতাংশ। ইফালে, বঙাইগাঁও, হোজাই, কামৰূপ মহানগৰ, কাৰ্বি আংলং, কোকৰাঝাৰ, নলবাৰী, তিনিচুকীয়া আৰু ওদালগুৰিত ৮০ শতাংশতকৈ অধিক বিদ্যালয়ে অংশগ্ৰহণ কৰে। গুণোৎসৱত প্ৰথম স্থান লাভ কৰি অহা শিৱসাগৰ জিলাত এই পৰীক্ষা অনুষ্ঠিত কৰা বিদ্যালয়ৰ হাৰ ৭০ শতাংশহে। উল্লেখযোগ্য যে ৰাজ্যত অসমীয়া, ইংৰাজী, বড়ো আৰু বাংলা মাধ্যমত এই পৰীক্ষা অনুষ্ঠিত হৈছিল।

০০০০০০

২০০ বছৰীয়া ইতিহাসেৰে সমৃদ্ধ অসমৰ চাহৰ ঐতিহ্য অধ্যয়ন কৰাৰ লক্ষ্যৰে দক্ষিণ কোৰিয়াৰ ২৪ জনীয়া প্ৰতিনিধিৰ দল কালি যোৰহাটত উপস্থিত হৈছে। দলটোৱে মেলেং চাহ বাগিচাত পাত তোলাৰ পৰা প্ৰসংস্কৰণলৈকে সমগ্ৰ প্ৰক্ৰিয়া পৰ্যবেক্ষণ কৰে। এনে অধ্যয়নমূলক ভ্ৰমণে চাহৰ বিশ্বজনীন সম্ভাৱনীয়তাক অধিক প্ৰসাৰিত কৰিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আশা প্ৰকাশ কৰিছে।

০০০০০০

বজালী জিলাৰ পাটাছাৰকুছিৰ ২৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথত যোৱা নিশা সংঘটিত এটা পথ দুৰ্ঘটনাত এজন লোক থিতাতে নিহত হয়। ৰাষ্ট্ৰীয় ঘাইপথৰ ওপৰত ৰৈ থকা বাঁহভৰ্তি এখন ট্ৰেক্টৰত মালবাহী ট্ৰাক এখনে পিছফালৰ পৰা খুন্দা মৰাৰ ফলত ট্ৰাকখনৰ চালকজন গুৰুতৰভাৱে আহত হয়। পাছত স্থানীয় ৰাইজে পাটাছাৰকুছি আৰক্ষীৰ সহায়ত চালকগৰাকীক পাঠশালাৰ মদন ৰাউতা অসামৰিক চিকিৎসালয়ত ভৰ্তি কৰাই যদিও তেওঁক মৃত ঘোষণা কৰা হয়। ট্ৰাকচালকগৰাকীৰ পৰিচয় এতিয়ালৈকে উদ্ধাৰ কৰিব পৰা হোৱা নাই।

০০০০০০

ভাৰত আৰু ইংলেণ্ডৰ মাজত এজবেষ্টনত অনুষ্ঠিত দ্বিতীয় টেষ্টৰ কালি প্ৰথম দিনা ভাৰতে নিজৰ প্ৰথম ইনিংছত ৫ উইকেটৰ বিনিময়ত ৩১০ ৰাণ সংগ্ৰহ কৰে। অধিনায়ক শুভমন গিলে তেওঁৰ টেষ্ট জীৱনৰ সপ্তমটো শতৰাণ সংগ্ৰহ কৰি ১১৪ ৰাণ কৰি বেট ধৰি আছে। ৰবীন্দ্ৰ জাদেজা ৪১ ৰাণ কৰি অপৰাজিত হৈ আছে। ইয়াৰ আগতে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ভাৰতীয় অপেনাৰদ্বয় য়শস্বী জয়ছোৱাল আৰু কে এল ৰাহুলে সতৰ্কতাৰে ইনিংছ আৰম্ভ কৰে যদিও ৰাহুল মাত্ৰ ২ ৰাণ কৰি আউট হয়। ইয়াৰ পাছত কৰুণ নায়াৰৰ সৈতে লগ লাগি য়শস্বী জয়ছোৱালে দ্বিতীয় উইকেটৰ যুটীত ৮০ ৰাণ যোগ দিয়ে। কৰুণ নায়াৰ ভোজন বিৰতিৰ থিক পূৰ্বে ৩১ ৰাণ কৰা অৱস্থাত আউট হয়। য়শস্বী জয়ছোৱালে সুন্দৰ খেল প্ৰদৰ্শন কৰি ৮৭ ৰাণত আউট হয়। ঋষভ পন্ত ২৫ ৰাণত আউট হয়। নীতিশ কুমাৰ ৰেড্ডীয়ে মাত্ৰ এক ৰাণহে কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পাছত অধিনায়ক গীল আৰু ৰবীন্দ্ৰ জাদেজাই সুন্দৰভাৱে খেলি ষষ্ঠ উইকেটৰ যুটীত অপৰাজিত ৯৯ ৰাণ যোগ দিয়ে। ইংলেণ্ডৰ হৈ ৱকছে দুটা আৰু কাৰছ্, ষ্টোকছ আৰু বছিৰে এটাকৈ উইকেট অধিকাৰ কৰে।

০০০০০০

ব্ৰাজিলৰ ৰিঅ' ডি জেনেৰিঅ'ত ৫ জুলাইৰ পৰা হ'বলগীয়া ব্ৰীক্‌ছ শীৰ্ষ সন্মিলনত অংশগ্ৰহণকে ধৰি ৮ দিনীয়া ৫ দেশীয় ভ্ৰমণ কাৰ্যসূচীৰ অংশ হিচাপে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী কালি ঘানাত উপস্থিত হোৱা বাতৰিটো অসমীয়া প্ৰতিদিন কাকতে প্ৰথম পৃষ্ঠাত গুৰুত্বপূৰ্ণ হিচাপে প্ৰকাশ কৰিছে।

২০২৬ চনৰ বিধানসভা নিৰ্বাচনৰ পূৰ্বে বিটিচি নিৰ্বাচনত শাসকীয় দলে গুৰুত্ব প্ৰদান কৰি আজিৰে পৰা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই পাঁচদিনীয়া কাৰ্যসূচীৰে বড়োলেণ্ড স্বায়ত্তশাসিত অঞ্চল ভ্ৰমণ কৰিব। এই বাতৰিটো দৈনিক অসম কাকতে **বিটিচিৰ ক্ষমতা দখলৰ বাবে বিজেপিৰ ৰণডংকা** শিৰোনামেৰে প্ৰথম পৃষ্ঠাত গুৰুত্বসহকাৰে প্ৰকাশ কৰিছে।

অসমৰ উচ্চ তথা কাৰিকৰী শিক্ষাৰ পাঠ্যক্ৰমত অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক কাৰ্যবাহী ৰূপে আত্মসংস্থাপনৰ বাবে প্ৰয়োজনীয় দক্ষতা বিকাশত সহায় কৰিবলৈ অসম চৰকাৰ তথা এইচ ডি এফ চি বেংকে বিশেষ উদ্যোগ লোৱাৰ বাতৰিটো **ক'ৰ্পৰেট খণ্ডত অসমীয়াই পাব চাকৰি** শিৰোনামেৰে অসমীয়া খবৰ কাকতে মুখ্য বাতৰি হিচাপে প্ৰকাশ কৰিছে।

ৰাজ্যত এমাহতে অসাধু ব্যৱসায়ীয়ে এহেজাৰ ৪০০ কোটি টকাৰ কৰ ফাঁকি দিছে। যোৱা মাহত ৩৫২টা ভুৱা পঞ্জীয়নৰ জৰিয়তে ব্যৱসায়ীসকলে কোনো সামগ্ৰী ক্ৰয়-বিক্ৰয় নকৰাকৈ এই বৃহৎ পৰিমাণৰ ধনৰাশি আত্মসাৎ কৰাৰ বাতৰিটো নিয়মীয়া বাৰ্তা কাকতে মুখ্য বাতৰিত স্থান দিছে।

মুখ্যমন্ত্ৰী ড০ শৰ্মাই নতুন দিল্লীত কালি কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীক সাক্ষাৎ কৰি ৰাজ্যৰ বিভিন্ন আন্তঃগাঁথনি প্ৰকল্প সন্দৰ্ভত আলোচনা কৰে। গুৱাহাটীৰ পৰা শিলচৰ আৰু ডিব্ৰুগড়লৈ গ্ৰীন এক্সপ্ৰেছ কৰিডৰ, এক্সপ্ৰেছ হাইৱে নিৰ্মাণৰ নতুন প্ৰকল্প সন্দৰ্ভতো আলোচনা কৰা হয়। এই বাতৰিটো আমাৰ অসম, দৈনিক জনমভূমি, দি আছাম ট্ৰিবিউন, দা ছেণ্টিনেল কাকতে প্ৰথম পৃষ্ঠাত সবিস্তাৰে প্ৰকাশ কৰিছে। দি আছাম ট্ৰিবিউন কাকতৰ শিৰোনাম **CM, GADKARI DISCUSS STATE'S ROAD PROJECTS**। একেটা বাতৰিৰে দা ছেণ্টিনেল কাকতৰ শিৰোনাম **GADKARI ASSURES CM OF TIME-BOUND IMPLEMENTATION OF ASSAM NH PROJECTS**।

আহক, এতিয়া আমি পুনৰ বাতৰিৰ মাজলৈ ঘূৰি যাও। oooooooo

oooooo

আমেৰিকাৰ বাৰ্মিংহামত চলিত বিশ্ব আৰক্ষী চেম্পিয়নশ্বিপত অসমৰ ৰিম্পী বুঢ়াগোহাঁইয়ে লং জাম্প ইভেণ্টত স্বৰ্ণপদক জয় কৰিছে। অসম ৰাইফল্‌ছক প্ৰতিনিধিত্ব কৰা অসম কন্যাগৰাকীয়ে ২১ ফুট জঁপিয়াই এই পদক অৰ্জন কৰে। শিৱসাগৰ জিলাৰ বকতাৰ জীয়ৰী ৰিম্পী বৰ্তমান অসম ৰাইফল্‌ছত কৰ্মৰত।

oooooo

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে দুই-এজাক পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩৩ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৭ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মণিপুৰ, মিজোৰাম, ত্ৰিপুৰা, নাগালেণ্ড আৰু মেঘালয়ৰ ঠাই বিশেষে পাতলীয়াৰ পৰা মজলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই প্ৰকাশ কৰিছে।

oooooo

সমাপ্ত